[প্ৰতিবেদনযোগ্য]

ভাৰতৰ উচ্চতম ন্যায়ালয়

দেৱানী আপীল অধিকাৰক্ষেত্ৰ

দেৱানী আপীল নং ১৭২/২০২৩

বিশেষ অনুমতি আবেদন(দেৱানী)নং ৮০৮৩/২০২২

ভাৰত চৰকাৰ আৰু অন্যান্য........ আপীলকাৰী

বনাম

ৰাজীৱ খান আৰু অন্যান্য........... প্ৰতিবাদী

ৰায়

এম.আৰ. শ্বাহ, জে.

১.২০২১ চনৰ ডব্লিউ এ নং ৩০৫ত গৌহাটী উচ্চ ন্যায়ালয়ে ০২.১১.২০২১ তাৰিখে মহামান্য এজনীয়া বিচাৰপীঠে লেখ আৱেদন গ্ৰহণ কৰি মূল লেখ আৱেদনকাৰীসকল নাৰ্চিং ভাট্টাৰ অধিকাৰী বুলি প্ৰদান কৰা ৰায়ত হস্তক্ষেপ নকৰাকৈ ভাৰত চৰকাৰ আৰু অন্যান্যৰ দ্বাৰা দাখিল কৰা আবেদনখন খাৰিজ কৰা বিবাদিত ৰায় আৰু

আদেশত ক্ষোভিত আৰু অসন্তুষ্ট অনুভৱ কৰি ভাৰত চৰকাৰ আৰু অন্যান্যসকলে বৰ্তমানৰ আবেদনখন দাখিল কৰিছে।

২.এই গোচৰৰ প্ৰতিবাদী সকলে সীমান্ত সুৰক্ষা বাহিনীৰ অধীনত বিভিন্ন চিকিৎসালয়ত নাৰ্ছিং সহায়ক হিচাপে কাম কৰি আছে। তেওঁলোক সকলোকে 'চিকিৎসালয়ৰ ৰোগী শুশ্ৰূষাৰ ভাট্টা' পৰিশোধ কৰা হৈছিল।মূল লেখ আৱেদনকাৰীসকলৰ মতে, ষ্টাফ নাৰ্ছসকলক প্ৰদান কৰাৰ দৰে তেওঁলোকো নাৰ্ছিং ভাট্টাৰ অধিকাৰী।সেয়েহে, উচ্চ ন্যায়ালয়ৰ সন্মুখত এখন লেখ আৱেদন দাখিল কৰা হৈছিল।আপীলকাৰীসকলে নাৰ্ছিং কৰ্মচাৰীৰ সমতুল্যভাৱে নাৰ্ছিং ভাট্টা দাবী কৰা মূল লেখ আৱেদনকাৰীসকলৰ দাবীৰ এইবুলি বিৰোধিতা কৰিছিল যে তেওঁলোকক 'চিকিৎসালয় ৰোগী শুশ্ৰূষাৰ ভাট্টা' হিচাপে পৰিচিত বিশেষ ভাট্টা পৰিশোধ কৰা হৈছে আৰু তেওঁলোক ষ্টাফ নাৰ্ছ হিচাপে যোগ্য নহয় বাবে নাৰ্ছিং ভাট্টাৰ অধিকাৰী নহয়। অৱশ্যে, মহামান্য এজনীয়া বিচাৰ পীঠে আপীলকাৰী বিএছএফসকলৰ আপত্তিক অস্বীকাৰ কৰি কয় যে লেখ আবেদনকাৰীসকলে পালন কৰা দায়িত্বসমূহ ষ্টাফ নাৰ্ছসকলে পালন কৰা দায়িত্বসমূহৰ সৈতে একে। তেওঁ এইবুলি মন্তব্য দিছিল যে শিক্ষাগত অৰ্হতা নাৰ্ছিং ভাট্টা অস্বীকাৰ কৰাৰ এক ভিত্তি হ'ব নোৱাৰে।ফলস্বৰূপে, মহামান্য এজনীয়া বিচাৰপীঠে লেখ আৱেদনখনৰ অনুমতি দিছিল।যিহেতু উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ সন্মুখত আপীলকাৰীসকলে কৰা আবেদন বিৰোধিত ৰায় আৰু আদেশৰ দ্বাৰা খাৰিজ কৰা হৈছে, সেয়েহে, বৰ্তমানৰ আবেদনখন দাখিল কৰা হৈছে।

২.১ বিজ্ঞ এ.ছ.জি শ্ৰীমতী মাধৱী দিৱানে দৃঢ়ভাৱে যুক্তি প্ৰদৰ্শন কৰিছে যে গোচৰটোত উচ্চ ন্যায়ালয়ে মূল লেখ আৱেদনকাৰী নাৰ্ছিং সহায়কসকল ষ্টাফ নাৰ্ছৰ সমান নাৰ্ছিং ভাট্টাৰ অধিকাৰী বুলি মত পোষণ কৰি গুৰুতৰ ভুল কৰিছে।

২.২ যুক্তি দাঙি ধৰা হৈছে যে যদি ষ্টাফ নাৰ্ছসকলৰ অৰ্হতাৰ কথা আহি পৰে, ই হৈছে চাৰি বছৰীয়া পাঠ্যক্ৰম আৰু যদি নাৰ্ছিং সহায়কসকলৰ কথালৈ মন কৰা হয়, তেওঁলোকে কেৱল এবছৰীয়া পাঠ্যক্ৰম সম্পূৰ্ণ কৰিছে যিটো নাৰ্ছিং সহায়ক পদৰ বাবে প্ৰয়োজনীয় অৰ্হতা। এইটো যুক্তিও দাঙি ধৰা হয় যে, যিহেতু মূল লেখ আবেদনকাৰী নাৰ্ছিং সহায়কসকল শিক্ষাগত অৰ্হতা পৃথক হোৱাৰ বাবে ষ্টাফ নাৰ্ছ হিচাপে নিযুক্তি

পাবৰ বাবে যোগ্য নহয় সেয়েহে তেওঁলোকে ষ্টাফ নাৰ্চৰ সমান নাৰ্চিং ভাট্টা দাবী কৰিব নোৱাৰে।

২.৩ ইয়াৰ লগতে যুক্তি দাঙি ধৰা হৈছে যে উচ্চ ন্যায়ালয়ে এই কথাটো সঠিকভাৱে পৰ্যবেক্ষণ কৰা নাই যে বিএছএফৰ নাৰ্চিং সহায়কসকলৰ প্ৰয়োজনীয় অভিজ্ঞতা নাই আৰু নাৰ্চিং সহায়ক কেডাৰৰ বাবে মাত্ৰ ৬ মাহৰ যোগ্যতা অৰ্জন কৰিছে আৰু পিছত তেওঁলোকক বিএছএফ পেৰা মেডিকেল ছেট আপত ৰখা হৈছে। লগতে নাৰ্চিং সহায়কসকলৰো ৰাজ্যিক নাৰ্চিং পৰিষদ আৰু ভাৰতীয় নাৰ্চিং পৰিষদে প্ৰদান কৰা কোনো পঞ্জীয়ন প্ৰমাণ পত্ৰ নাই আৰু সেয়েহে, তেওঁলোকৰ হাতত ষ্টাফ নাৰ্চৰ সমতুল্য নাৰ্চিং ভাট্টা লাভ কৰিবলৈ প্ৰয়োজনীয় অৰ্হতা আৰু অভিজ্ঞতা নাই।

২.৪ এএছজি শ্ৰীমতী মাধৱী দিৱানে পুনৰ যুক্তি দাঙি ধৰিছে যে উচ্চ ন্যায়ালয়ে নাৰ্চিং সহায়কসকলক নাৰ্চিং ভাট্টা প্ৰদান নকৰাৰ ক্ষেত্ৰত শিক্ষাগত অৰ্হতা এক ভিত্তি হ'ব নোৱাৰে বুলি মত পোষণ কৰি ভুল কৰিছে। এই ন্যায়ালয়ে ইয়াৰ প্ৰাসংগিক গোচৰত মত পোষণ কৰিছে যে শিক্ষাগত অৰ্হতা, অভিজ্ঞতা আৰু কৰ্তব্যৰ ওপৰত ভিত্তি কৰি বিভিন্ন দৰমহাৰ স্কেলৰ বিভাজনৰ সিদ্ধান্ত লোৱাত অনুমতি প্ৰদান কৰিব পাৰি। এই ক্ষেত্ৰত **পঞ্জাৱ ৰাজ্যিক সমবায় গাখীৰ উৎপাদক ফেডাৰেচন লিমিটেড আৰু অন্যান্য বনাম বলবীৰ কুমাৰ ৱালিয়া আৰু অন্যান্য (২০২১) ৮ এছচিচি ৭৮৪; প্ৰাথমিক শিক্ষা সঞ্চালক, উৰিষ্যা আৰু অন্যান্য বনাম প্ৰমোদ কুমাৰ চাহু, (২০১৯) ১০ এছচিচি ৬৭৪ আৰু কৰ্মচাৰী ৰাজহুৱা অভিযোগ আৰু পেঞ্চন সচিব বিভাগ আৰু এ এন আৰ বনাম টি.ভি.এল.এন. মল্লিকাৰ্জুন ৰাও, (২০১৫)৩ এছ.চি.চি. ৬৫৩** গোচৰসমূহক ভিত্তি হিচাপে লৈছে।

২.৫ ওপৰোক্ত যুক্তিসমূহ আৰু ওপৰোক্ত সিদ্ধান্তসমূহৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তমানৰ আবেদনখনক গ্ৰহণ কৰিবলৈ প্ৰাৰ্থনা জনোৱা হয়।

৩.প্ৰতিবাদী পক্ষৰ হৈ হাজিৰ হোৱা বিজ্ঞ অধিবক্তাসকলে বৰ্তমানৰ আবেদনখনৰ বিৰোধিতা কৰি কয় যে মূল লেখ আবেদনকাৰীসকলে দৃঢ়ভাৱে যুক্তি দৰ্শাইছে যে ৰায় প্ৰদান কৰাৰ সময়ত মহামান্য এজনীয়া বিচাৰপীঠখন উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ সিদ্ধান্তৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল আছিল আৰু এই মত পোষণ কৰিছিল যে

শিক্ষাগত অৰ্হতা নাৰ্চিং সহায়কসকলৰ নাৰ্চিং ভাট্টা অস্বীকাৰ কৰাৰ ভিত্তি হ'ব নোৱাৰে।

৩.১ এই যুক্তি দাঙি ধৰা হৈছে যে যিহেতু নাৰ্চিং সহায়কসকল নাৰ্চিং সেৱাৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে, সেয়েহে মহামান্য এজনীয়া বিচাৰপীঠে এই কথাত গুৰুত্ব আৰোপ কৰাটো আৰু এই মতামত লোৱাটো সঠিক আছিল যে নাৰ্চিং সহায়ক আৰু ষ্টাফ নাৰ্ছ দুয়োটাই সাধাৰণতে নাৰ্চিং সেৱাৰ অবিচ্ছেদ্য অংশ আৰু সেয়েহে, ষ্টাফ নাৰ্ছৰ দৰে নাৰ্চিং সহায়কসকলেও নাৰ্চিং ভাট্টা লাভ কৰাৰ অধিকাৰ আছে। যুক্তি দৰ্শোৱা হৈছে যে, যেতিয়া নাৰ্চিং সহায়ক আৰু ষ্টাফ নাৰ্ছ দুয়ো নাৰ্চিং সেৱাৰ অবিচ্ছেদ্য অংশ আৰু একে ধৰণৰ কৰ্তব্য পালন কৰিব, উচ্চ ন্যায়ালয়ে ষ্টাফ নাৰ্ছৰ সমতুল্য নাৰ্চিং সহায়কসকলক নাৰ্চিং ভাট্টা পৰিশোধ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰি কোনো ভুল কৰা নাই। সেয়েহে, বৰ্তমানৰ আৱেদনখন খাৰিজ কৰিবলৈ প্ৰাৰ্থনা জনোৱা হয়।

৪. সংশ্লিষ্ট পক্ষসমূহৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিজ্ঞ অধিবক্তাসকলৰ যুক্তি শুনি, এই আদালতৰ সন্মুখত বিবেচনাৰ বাবে এটা সৰু প্ৰশ্ন উত্থাপিত হৈছে যে নাৰ্চিং সহায়ক আৰু ষ্টাফ নাৰ্ছ পদৰ বাবে শিক্ষাগত অৰ্হতা পৃথক হোৱা স্বত্বেও নাৰ্চিং সহায়কসকল ষ্টাফ নাৰ্ছৰ সমান নাৰ্চিং ভাট্টাৰ অধিকাৰী হ'ব নে নহয়।

৪.১ উচ্চ ন্যায়ালয়ে এই মত পোষণ কৰিছে যে শিক্ষাগত অৰ্হতা ষ্টাফ নাৰ্ছৰ সমান নাৰ্চিং ভাট্টা অস্বীকাৰ কৰাৰ ক্ষেত্ৰত এক ভিত্তি হ'ব নোৱাৰে কিয়নো সামগ্ৰিকভাৱে তেওঁলোকক নাৰ্চিং সেৱাৰ এক অবিচ্ছেদ্য অংশ বুলিও ক'ব পাৰি। উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা এই দৃষ্টিভংগী **পঞ্জাৱ ৰাজ্যিক সমবায় গাখীৰ উৎপাদক ফেডাৰেচন লিমিটেড (ওপৰত উল্লেখিত)**, **প্ৰমোদ কুমাৰ চাহু (ওপৰত উল্লেখিত),)আৰু টি.ভি.এল.এন. মল্লিকাৰ্জুন ৰাও (ওপৰত উল্লেখিত)**ৰ ক্ষেত্ৰত এই ন্যায়ালয়ে প্ৰদান কৰা ৰায়ৰ বিপৰীত।

৪.২ **টি.ভি.এল.এন. মল্লিকাৰ্জুন ৰাও (ওপৰত উল্লেখিত)**ৰ ক্ষেত্ৰত এই ন্যায়ালয়ে লক্ষ্য কৰে যে পদৰ শ্ৰেণীবিভাজন আৰু দৰমহাৰ গাঁথনি নিৰ্ধাৰণ কাৰ্যবাহীৰ একচেটিয়া ক্ষেত্ৰৰ ভিতৰত পৰে আৰু ন্যায়াধিকৰণে এক নিৰ্দিষ্ট সেৱাৰ দৰমহাৰ গাঁথনি আৰু গ্ৰেড নিৰ্ধাৰণ কৰাত কাৰ্যবাহীৰ ক্ষমতাৰ ওপৰত আপীল কৰিব নোৱাৰে। এই

ন্যায়ালয়ৰ গোচৰটোত ন্যায়ালয়ে বিভিন্ন শিক্ষাগত অৰ্হতাৰ ওপৰত ভিত্তি কৰি বিভিন্ন দৰমহা স্কেল/দৰমহাৰ গাঁথনি নিৰ্ধাৰণ কৰা সিদ্ধান্তটো বাহাল ৰাখে। এই কথা লক্ষ্য কৰা হয় আৰু লগতে মত পোষণ কৰা হয় যে ডাটা এণ্ট্ৰি অপাৰেটৰ, গ্ৰেড বিৰ নিযুক্তি আৰু কৰ্তব্য আৰোপ কৰা আদেশ বিষয়টো বিবেচনা কৰিলে, বিভিন্ন শ্ৰেণীত ডাটা এণ্ট্ৰি অপাৰেটৰসকলক ভাগ কৰাটোৱে সংবিধানৰ অনুচ্ছেদ ১৪ আৰু ১৬ই প্ৰদান কৰা সমতাৰ অধিকাৰক উলংঘা নকৰে বা ই প্ৰতিকূল বা স্বেচ্ছাচাৰী বৈষম্যৰ বিৰুদ্ধে প্ৰদান কৰা সাংবিধানিক সুৰক্ষা উলংঘা নকৰে।

৪.৩ **পঞ্জাব ৰাজ্যিক সমবায় গাখীৰ উৎপাদক ফেডাৰেচন লিমিটেডৰ (ওপৰত উল্লেখিত)** ক্ষেত্ৰত, এই ন্যায়ালয়ৰ দ্বাৰা এইটো কথা লক্ষ্য কৰা হয় লগতে এই সিদ্ধান্ত বাহাল ৰখা হয় যে যে নিযুক্তিৰ বাবে নিৰ্ধাৰিত বিভিন্ন শিক্ষাগত অৰ্হতা আৰু অভিজ্ঞতা বিভিন্ন দৰমহা স্কেল/দৰমহা গাঁথনিৰ ক্ষেত্ৰত এক ভিত্তি হ'ব পাৰে।

৪.৪ প্ৰমোদ কুমাৰ চাহুৰ গোচৰটোৰ ক্ষেত্ৰত এই কথা লক্ষ্য কৰা হয় আৰু মত পোষণ কৰা হয় যে কামৰ প্ৰকৃতি কম বেছি পৰিমাণে একে হ'ব পাৰে **কিন্তু** শিক্ষাগত অৰ্হতা বা অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি দৰমহাৰ পৰিমাণ পৃথক হ'ব পাৰে আৰু ই শ্ৰেণীবিভাজনক ন্যায়সঙ্গত কৰি তোলে। লগতে এই মত পোষণ কৰা হয় যে বিভিন্ন গোটৰ ব্যক্তিসকলৰ মাজৰ বৈষম্যই তেওঁলোকৰ বাবে 'সমান কামৰ বাবে সমান দৰমহা' নীতিৰ প্ৰায়োগিকতা নোহোৱা কৰে।এই ন্যায়ালয়ৰ গোচৰটোত, ন্যায়ালয়ে এজন প্ৰশিক্ষিত ব্যক্তি বা উচ্চ অৰ্হতা থকা ব্যক্তি এজনক উচ্চমানৰ বেতন স্কেল প্ৰদানৰ বাবে উচ্চ শিক্ষাগত অৰ্হতাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা শ্ৰেণীবিভাজনৰ সিদ্ধান্তটো বাহাল ৰাখে।

৫. এই ন্যায়ালয়ে ওপৰোক্ত গোচৰসমূহত নিৰ্ধাৰণ কৰা বিধিসমূহ প্ৰয়োগ কৰি উচ্চ ন্যায়ালয়ে এই মত প্ৰদান কৰে যে নাৰ্ছিং সহায়কসকলৰ নাৰ্ছিং ভাট্টা প্ৰত্যাখ্যান কৰাৰ ক্ষেত্ৰত শিক্ষাগত অৰ্হতা এক ভিত্তি হ'ব নোৱাৰে।বৰ্তমানৰ গোচৰটোত সংশ্লিষ্ট নাৰ্ছিং সহায়কসকলক 'চিকিৎসালয়ৰ ৰোগী শুশ্ৰূষাৰ ভাট্টা' পৰিশোধ কৰা হৈছে।বিএছ্এফৰ নাৰ্ছিং সহায়কসকলৰ ষ্টাফ নাৰ্ছ হিচাপে নিযুক্তিৰ বাবে প্ৰয়োজনীয় অভিজ্ঞতা নাই বা ষ্টাফ নাৰ্ছ হিচাপে নিযুক্তিৰ বাবে তেওঁলোকৰ কোনো শিক্ষাগত অৰ্হতা নাই। সেয়েহে, নাৰ্ছিং সহায়কসকলক ষ্টাফ নাৰ্ছৰ সৈতে তুলনা কৰিব নোৱাৰি কিয়নো দুয়োটা পক্ষই

পৃথক শিক্ষাগত অৰ্হতা বহন কৰে। এই ক্ষেত্ৰত, উচ্চ ন্যায়ালয়ে অসম ৰাইফলছ/বিএছএফত কৰ্মৰত নাৰ্ছিং এচিষ্টেন্টসকলক ষ্টাফ নাৰ্ছৰ সমতুল্য নাৰ্ছিং ভাট্টা লাভৰ অধিকাৰী বুলি ধৰি নিৰ্দেশ প্ৰদান কৰি গুৰুতৰ ভুল কৰিছে।

৬. ওপৰৰ কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি আৰু ওপৰত উল্লেখ কৰা কাৰণত এই আবেদনখন গ্ৰহণ কৰা হয়। মহামান্য এজনীয়া বিচাৰপীঠৰ লগতে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে মূল লেখ আবেদনকাৰী – নাৰ্ছিং সহায়কসকলে ষ্টাফ নাৰ্ছৰ সমতুল্য নাৰ্ছিং ভাট্টা লাভ কৰাৰ অধিকাৰী হ'ব বুলি প্ৰদান কৰা ৰায় আৰু আদেশ ইয়াৰ দ্বাৰা খাৰিজ কৰা হৈছে।

ফলস্বৰূপে, ষ্টাফ নাৰ্ছৰ সমতুল্য নাৰ্ছিং ভাট্টা দাবী কৰি মহামান্য এজনীয়া বিচাৰ পীঠৰ আগত দাখিল কৰা মূল লেখ আবেদনখন খাৰিজ কৰা হৈছে। সেয়ে বৰ্তমানৰ আবেদনখন গ্ৰহণ কৰা হৈছে। কোনো খৰচ আৰোপ কৰা ন'হব।

........................................জে.

[এম.আৰ. শ্বাহ]

........................................জে.

[চি.টি ৰাজকুমাৰ]

নতুন দিল্লী; জানুৱাৰী ১৬,২০২৩।

*DISCLAIMER*

*"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".*

*“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”*

*Translated by Jahnavi Gogoi*
*Verified by Ditimoni Gogoi*